**এক মিনিটৰ গল্প**

# নিয়তি

❑ জিতুমণি পাঠক

শ্ৰীদেৱী ঢুকাল। পুৱাই হোৱাট্‌ছএপত মেছেজটো দেখি নিবাৰণৰ মনটো কিবা এক দুখবোধেৰে ভৰি পৰিল। সিহঁতৰ যৌৱনৰ দিনবোৰক শ্ৰীদেৱীয়ে এক স্বপ্নিল মায়াময়তাৰে যেন আৱৰি ৰাখিছিল। শ্ৰীদেৱীৰ হাঁহিৰ খিলখিলনি, খোজৰ লাস্যময়িতা আৰু স্বপ্নালু দুচকুৱে সিহঁতক দিবা-নৈশ আমনি কৰি থাকিছিল। সেয়েহে পুৱাই বাতৰিটো পাই এক বিষাদময়তাই যেন তাক আগুৰি পেলালে। কিন্তু বাতৰিটোৰ পিছৰ অংশ 'কাৰ্ডিয়াক এৰেষ্ট' শব্দ দুটাই সেই বিষাদময়তাক মুহূৰ্ততে এক আতংকলৈ পৰিণত কৰিলে। ক'ব নোৱাৰাকৈ তাৰ হাতখন বুকুৰ ওপৰলৈ উঠি আহিল।

পুৱা চাহকাপ দিয়াৰ সময়ত শ্ৰীমতীয়ে তালৈ তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে—'পুৱাই সোনকালে উঠি অকণমান খোজকঢ়া কৰিব নোৱাৰেনে?' ক'ব নোৱাৰাকৈ তাৰ হাতখন পুনৰ বুকুৰ ওপৰলৈ উঠি আহিল। তাৰ এনে লাগিল যেন সি উশাহ-নিশাহ লোৱাত কষ্ট পাইছে। তাৰ ক'ৰ'নেৰী আৰ্টেৰীডাল ব্লক হৈ গৈছে। হাৰ্টলৈ তেজ চলাচল বন্ধ হৈ গৈছে। এতিয়াই যেন সি সংজ্ঞাহীন হৈ পৰি যাব। সি অলপ ঘামি উঠিল। ওচৰতে পুতলাকেইটা লৈ একান্তমনে খেলি থকা জীয়েকলৈ চালে। নাই, এইৰ কাৰণে হ'লেও সি অকণমান হ'লেও শৰীৰৰ যত্ন ল'বই লাগিব। কালি-পৰহি নহয়। আজিয়েই আৰম্ভ কৰিব সি।

কাণি-মুনি সন্ধিয়া পৰত নতুনকৈ কিনা স্পৰ্টছ শুযোৰ (Sports Shoes) পিন্ধি নিবাৰণ দাস বাহিৰলৈ ওলাই আহিল। খোজৰ গতি ক্ৰমে বঢ়াই থাকিল। কোনোমতে আলিকেঁকুৰিটো পাইছিলহে, হঠাতে সন্মুখৰ পৰা অহা গাড়ী এখনে মহতিয়াই নিবাৰণ দাসক কেইবাফুট দূৰলৈ ছিটিকাই পঠালে। ওচৰ-পাঁজৰৰ মানুহবোৰৰ প্ৰচণ্ড চিঞৰ-বাখৰৰ মাজত দেখা গ'ল নিবাৰণ দাসৰ নতুনকৈ কিনা বগা স্পৰ্টছ শুযোৰ কেইবাৰমান কঁপি উঠিছে। চাওঁতে চাওঁতেই সেই কঁপনি এটা সময়ত একেবাৰে স্তব্ধ হৈ গ'ল।

নিবাৰণ দাসে আৰু কেতিয়াও গম নাপালে শ্ৰীদেৱীৰ মৃত্যুৰ কাৰণ প্ৰকৃততে হাৰ্ট এটেক নাছিল; সেয়া আছিল এক দুৰ্ঘটনাহে। ঠিক তেওঁৰ দৰেই।

ফোন : ৯৮৫৪০-১৮১১৭